REV-01
BAAG/07/12

2022/12

**BA ADMINISTRATION & GOVERNANCE**
**FIFTH SEMESTER**
**MODERN INDIAN LANGUAGE [ASSAMESE]**
**BAAGNC-501**
**[USE OMR SHEET FOR OBJECTIVE PART]**

**Duration: 1.30 hrs.** **Full Marks: 35**

**(Objective)**

**Time: 15 mins.** **Marks: 10**

***Choose the correct answer from the following:*** ***1×10=10***

1. 'হাত লৰ' জতুৱা খণ্ডবাক্যটোৰ অৰ্থ হৈছে -
   a. চোৰ স্বভাৱৰ
   b. ক্ষমতাশালী
   c. কামত ধৰ
   d. কামত সহায় কৰ

2. 'বগলী ভকত' জতুৱা খণ্ডবাক্যটোৰ অৰ্থ হৈছে -
   a. সাধু ভকত
   b. বাহিৰে সাধু, ভিতৰি অসৎ
   c. সৎ ব্যক্তি
   d. ডেকা ভকত

3. 'ফৰিংফুটা জোনাক' জতুৱা খণ্ডবাক্যটোৰ অৰ্থ হৈছে -
   a. দোকমোকালি সময়
   b. পুৱতি সময়
   c. আন্ধাৰ জোনাক
   d. পৰিষ্কাৰ, সুন্দৰ জোনাক

4. 'নিহালী'ৰ সমাৰ্থক শব্দ হৈছে -
   a. কম্বল
   b. বেলি
   c. বায়ু
   d. ভাস্কৰ

5. 'ভৱন'ৰ সমাৰ্থক শব্দ হৈছে -
   a. গৃহ
   b. পথাৰ
   c. সৰু
   d. ডাঙৰ

6. 'হিত + এষী' সন্ধি কৰা -
   a. হিতষী
   b. হিতাষী
   c. হিতৈষী
   d. হিতেষী

7. 'অপচয়'ৰ বিপৰীত শব্দ হৈছে -
   a. বিৰহ
   b. মলিন
   c. উপচয়
   d. নষ্ট কৰা

8. 'পৰিশ্ৰমী'ৰ বিপৰীত শব্দ হৈছে -
   a. কঠিন
   b. কৰ্মী
   c. কষ্ট
   d. এলেহুৱা

9. 'আচামী'ৰ বিপৰীত শব্দ হৈছে -
   a. ফৰিয়াদী
   b. গোচৰীয়া
   c. পদকীয়া
   d. অনাচাৰ

10. 'ফেটী সাপৰ পোৱালি' জতুৱা খণ্ডবাক্যটোৰ অৰ্থ হৈছে-

a. বিষাক্ত

b. মিত্ৰ

c. ভৱিষ্যতৰ শত্ৰু

d. সৰু ফেটী সাপৰ পোৱালি

-- --- --

## (Descriptive)

Time : 1 hr. 15 mins. Marks : 25

[ Answer the following questions ]

1. তলত দিয়া কথাখিনি ইংৰাজীলৈ অনুবাদ কৰা। 10

বিজ্ঞান আৰু অন্ধবিশ্বাসৰ মাজৰ সম্বন্ধটো সদায়েই বৈৰীমূলক; দুয়োটাৰে মাজত সেতুবন্ধন একেবাৰেই অসম্ভৱ। মানুহৰ মনৰ অতি গভীৰলৈ প্ৰোথিত হৈ থকা অজস্ৰ অন্ধবিশ্বাস, কুসংস্কাৰ, অযৌক্তিক ধৰ্মীয় ধ্যান-ধাৰণা ইত্যাদিয়ে যুগে যুগে বিজ্ঞানৰ বিকাশৰ ওপৰতো একধৰণৰ পশ্চাৎমুখী হেঁচা প্ৰদান কৰা পৰিলক্ষিত হয়।

বিজ্ঞান আৰু অন্ধবিশ্বাসৰ মাজৰ অনতিক্ৰম্য ব্যৱধানৰ কথা অন্যান্য বহুতো দিশৰ মাজেৰে উন্মোচন কৰা যায়। বৰ্তমানৰ বৃহৎ প্ৰচাৰ-মাধ্যমসমূহ কম-বেছি পৰিমাণে শাসক আৰু শোষক শ্ৰেণীৰ বহতীয়া। এনে প্ৰচাৰ-মাধ্যমসমূহৰ চৰিত্ৰ বৰ আচৰিতধৰণৰ। কোনো এখন বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত যদি অন্ধবিশ্বাসৰ বিৰুদ্ধে বৰ যুক্তিপূৰ্ণ লিখা প্ৰকাশ হৈছে, তাৰ ঠিক পিছফালে, দ্বিতীয় পৃষ্ঠাত দেখিব সপ্তাহটোৰ ৰাশিফল! কিন্তু বিজ্ঞানকৰ্মীসকলে মন কৰিব লাগিব, তেনে প্ৰচাৰ মাধ্যমসমূহৰ জনগণৰ বৰ বেছি ওচৰলৈ যোৱাৰ শক্তি আছে; তেনে শক্তি বৰ্তমানে যুক্তিবাদী বিজ্ঞান সংগঠনৰ নাই, এই কথাটো আমি অস্বীকাৰ কৰিব নোৱাৰোঁ। সেইবাবেই, বিজ্ঞানকৰ্মীসকলে শোষকৰ বহতীয়া বুলি প্ৰচাৰ মাধ্যমসমূহক একেবাৰেই এলাগী কৰি যোৱাৰ কোনো যুক্তি নাই। বৈজ্ঞানিক চিন্তা-চৰ্চাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে, তেনে প্ৰচাৰ মাধ্যমসমূহকো, যেতিয়াই সুযোগ আৰু সুবিধা পোৱা যায়, ব্যৱহাৰ কৰিব লাগে। কিন্তু বিজ্ঞানকৰ্মীৰ দায়িত্ব মাথোন এদিনীয়া নহয়। এই দায়িত্ব হ'ব লাগিব নিৰন্তৰ সজ প্ৰচেষ্টাৰ এক অবিচ্ছিন্ন প্ৰবাহ।

2. 'হস্তীৰো পিচলে পাৱ সজ্জনৰো বুৰে নাও' - ভাৱ সম্প্ৰসাৰণ কৰা। 5

3. তলত দিয়া জতুৱা খণ্ডবাক্য কেইটা ব্যৱহাৰ কৰি একোটাকৈ বাক্য ৰচনা কৰাঁ : 2×5=10

ক) বুকুৰে ধান বনা
খ) পেট মচা
গ) বিৰ দি বাট নোপোৱা
ঘ) চকু চৰহা
ঙ) পানীৰ তলৰ কাঁইট

= = *** = =